18-10-2025 প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

**“মৰমৰ সন্তানসকল – আত্ম-অভিমানী হৈ বহা, ভিতৰি মন্থন কৰি থাকা - মই আত্মা.... দেহী-অভিমানী হোৱা, সঁচা খতিয়ান ৰাখা তেতিয়া বিচাৰ বুদ্ধি সম্পন্ন হৈ গৈ থাকিবা, বহুত লাভ হ'ব”**

প্ৰশ্ন: বেহদৰ নাটকখনক বুজোঁতা সন্তানসকলে কোনটো এটা বিধি ভালদৰে বুজি পায়?

উত্তৰ: এইখন অবিনাশী নাটক, ইয়াত প্ৰত্যেক ভাৱৰীয়া ভূমিকা পালন কৰিবলৈ নিজৰ সময়ত আহিবই লাগে। কোনোৱে কয় আমি সদাকালৰ কাৰণে শান্তিধামতেই বহি যাম - এইটো বিধি নহয়। তেওঁলোককতো ভূমিকা পালন কৰোঁতা বুলিয়েই কোৱা নহ'ব। এই বেহদৰ কথাবোৰ বেহদৰ পিতাইহে তোমালোকক শুনায়।

ওঁম্ শান্তি। নিজক আত্মা বুলি বুজি বহা। দেহ-অভিমান ত্যাগ কৰি বহা। বেহদৰ পিতাই সন্তানসকলক বুজাই আছে। বুজোৱা তেওঁলোকক হয় যিসকল অবোধ। আত্মাই বুজি পায় যে পিতাই সঁচা কথা কয় - আমি আত্মাসকল অবোধ হৈ গৈছোঁ। মই আত্মা অবিনাশী, শৰীৰ বিনাশী। মই আত্ম-অভিমান এৰি দেহ-অভিমানত আবদ্ধ হৈ আছোঁ। গতিকে অবোধ হ'ল নহয়। পিতাই কয় সকলো সন্তান দেহ-অভিমানত আহি অবোধ হৈ গৈছে। পুনৰ তোমালোক পিতাৰ দ্বাৰা দেহী-অভিমানী হোৱা তেতিয়া একেবাৰে বিচাৰ বুদ্ধি সম্পন্ন হৈ যোৱা। কিছুমানতো হৈ গৈছে, কিছুমানে পুৰুষাৰ্থ কৰি থাকে। অবোধ হ'বলৈ আধাকল্প লাগিল। এই অন্তিম জন্মত পুনৰ বিচাৰ বুদ্ধি সম্পন্ন হ'ব লাগে। আধাকল্পৰ পৰা অবোধ হৈ হৈ 100 শতাংশ অবোধ হৈ যায়। দেহ-অভিমানত আহি ড্ৰামাৰ পৰিকল্পনা অনুসৰি তোমালোক অৱনমিত হৈ আহিছা। এতিয়া তোমালোকে বোধ শক্তি পাইছা তথাপিও পুৰুষাৰ্থ বহুত কৰিব লাগে কিয়নো সন্তানসকলৰ দৈৱীগুণো লাগে। সন্তানসকলে জানে আমি সৰ্বগুণ সম্পন্ন, 16 কলা সম্পূৰ্ণ...... আছিলোঁ। পুনৰ এই সময়ত নিৰ্গুণী হৈ গৈছোঁ। কোনো গুণ নাই। তোমালোক সন্তানসকলৰ ভিতৰতো পুৰুষাৰ্থৰ ক্ৰম অনুসৰি এই খেলখনক বুজি পায়। বুজি থাকোঁতেও কিমান বছৰ হৈ গ'ল। তথাপিও যিসকল নতুন তেওঁলোক ভাল বিচাৰ বুদ্ধি সম্পন্ন হৈ গৈ থাকে। অন্যকো বিচাৰ বুদ্ধি সম্পন্ন কৰি তুলিবলৈ পুৰুষাৰ্থ কৰে। কিছুমানেতো একেবাৰে বুজি পোৱা নাই। যি অবোধ অবোধেই হৈ আছে। পিতা আহিছেই বিচাৰ বুদ্ধি সম্পন্ন কৰি তুলিবলৈ। সন্তানসকলে বুজি পায় মায়াৰ কাৰণে আমি অবোধ হৈ গলোঁ। আমি পূজ্য আছিলোঁ তেতিয়া বিচাৰ বুদ্ধি সম্পন্ন আছিলোঁ আকৌ আমিয়েই পূজাৰী হৈ অবোধ হৈ গৈছোঁ। আদি সনাতন দেৱী-দেৱতা ধৰ্ম প্ৰায় লোপ হৈ গ'ল। এই বিষয়ে জগতৰ কোনেও নাজানে। এওঁলোক লক্ষ্মী-নাৰায়ণ কিমান বিচাৰ বুদ্ধি সম্পন্ন আছিল, ৰাজত্ব কৰিছিল। পিতাই কয় ‘তত্ ত্বম্’ (তোমালোকৰ ক্ষেত্ৰতো একে কথা)। তোমালোকেও নিজৰ কাৰণে এনেকৈয়ে বুজা। এয়া অতিকৈ বুজিবলগীয়া কথা। পিতাৰ বাহিৰে কোনেও বুজাব নোৱাৰে। এতিয়া উপলব্ধি হয় - পিতাহে উচ্চতকৈও উচ্চ আটাইতকৈ অধিক বিচাৰ বুদ্ধি সম্পন্ন হ'ব নহয়। একটো জ্ঞানৰ সাগৰো হয়। সকলোৰে সংগতি দাতাও হয়। পতিত-পাৱনো হয়। এজনৰে মহিমা আছে। ইমান উচ্চতকৈও উচ্চ পিতা আহি ‘সন্তান সন্তান’ বুলি কৈ কিমান ভালকৈ বুজায়। সন্তানসকল এতিয়া পাৱন হ'ব লাগে। তাৰ বাবে পিতাই এটাই দৰব দিয়ে, কয় - যোগৰ দ্বাৰা তোমালোক ভৱিষ্যত 21 জন্ম নিৰোগী হৈ যাবা। তোমালোকৰ সকলো ৰোগ, দুখ শেষ হৈ যাব। তোমালোক মুক্তিধামলৈ গুচি যাবা। অবিনাশী চিকিৎসকৰ ওচৰত এটাই দৰব আছে। এটাই বেজী আত্মাসকলক আহি দিয়ে। এনেকুৱা নহয় যে কোনো মনুষ্য বেৰিষ্টাৰো হ'ব, ইঞ্জিনিয়াৰো হ'ব। নহয়। প্ৰত্যেক ব্যক্তি নিজৰে বৃত্তিত লাগি যায়। পিতাক কয় - আহি পতিতৰ পৰা পাৱন কৰি তোলক কিয়নো পতিত অৱস্থা দুখজনক হয়। শান্তিধামক পাৱন সৃষ্টি বুলি কোৱা নহয়। স্বৰ্গকহে পাৱন সৃষ্টি বুলি কোৱা হয়। এইটোও বুজোৱা হৈছে মনুষ্যই শান্তি আৰু সুখ বিচাৰে। প্ৰকৃত শান্তিতো তাত আছে য'ত শৰীৰ নাই, তাক কোৱা হয় শান্তিধাম। বহুতে কয় শান্তিধামত থাকিম, কিন্তু বিধি নাই। সেয়াতো ভূমিকা পালন কৰোঁতা নহ'ল। সন্তানসকলে ড্ৰামাখনকো বুজি পাইছে। যেতিয়া ভাৱৰীয়াসকলৰ ভূমিকা থাকিব তেতিয়া বাহিৰত ষ্টেজত আহি ভূমিকা পালন কৰিব। এই বেহদৰ কথাবোৰ বেহদৰ পিতাইহে বুজায়। জ্ঞান সাগৰ বুলিও তেওঁক কোৱা হয়। সকলোৰে সংগতি দাতা পতিত-পাৱন হয়। সকলোকে পাৱন কৰি তোলোঁতা তত্ব হ'ব নোৱাৰে। পানী আদি সকলো হৈছে তত্ব, সেই তত্ববোৰে কেনেকৈ সংগতি কৰিব। আত্মাইহে ভূমিকা পালন কৰে। হঠযোগৰো ভূমিকা আত্মাই পালন কৰে। এই কথাবোৰো যিসকল বিচাৰ বুদ্ধি সম্পন্ন তেওঁলোকেহে বুজিব পাৰে। পিতাই কিমান বুজাইছে - কিবা এনেকুৱা যুক্তি ৰচা যাতে মনুষ্যই বুজি পায়- কেনেকৈ পূজ্যৰ পৰা পূজাৰী হয়। পূজ্য হয় নতুন সৃষ্টিত, পূজাৰী হয় পুৰণি সৃষ্টিত। পাৱনসকলক পূজ্য, পতিতসকলক পূজাৰী বুলি কোৱা হয়। ইয়াততো সকলো পতিত কিয়নো বিকাৰৰ দ্বাৰা জন্ম হয়। তাত হৈছে শ্ৰেষ্ঠ।

গায়নো আছে সম্পূৰ্ণ শ্ৰেষ্ঠাচাৰী। এতিয়া তোমালোক সন্তানসকল এনেকুৱা হ'ব লাগে। পৰিশ্ৰম আছে। মুখ্য কথা হৈছে স্মৃতিত থকাটো। সকলোৱে কয় স্মৃতিত থকা বৰ কঠিন। আমি যিমান বিচাৰোঁ, স্মৃতিত থাকিব নোৱাৰোঁ। কোনোবাই যদি সততাৰে খতিয়ন লিখে তেন্তে বহুত লাভ হ'ব পাৰে। পিতাই সন্তানসকলক এইটো জ্ঞান দিয়ে যে 'মন্‌মনাভৱ'। তোমালোকে অৰ্থ সহিত কোৱা, তোমালোকক পিতাই প্ৰতিটো কথা যথাৰ্থ ৰীতিৰে অৰ্থ সহিত বুজায়। পিতাক সন্তানসকলে অনেক প্ৰকাৰৰ প্ৰশ্ন সোধে, পিতাই অন্তৰ জয় কৰিবলৈ কিবা এটা কৈ দিয়ে। কিন্তু পিতাই কয় - মোৰ কামেই হৈছে পতিতৰ পৰা পাৱন কৰি তোলা। মোকতো এইকাৰণেই আহ্বানো জনোৱা। তোমালোকে জানা যে আমি আত্মাসকল শৰীৰ সহিত পাৱন আছিলোঁ। এতিয়া সেই আত্মাই শৰীৰ সহিত পতিত হৈছে। 84 জন্মৰ হিচাপ আছে নহয়।

তোমালোকে জানা- এতিয়া এই সৃষ্টি কাঁইটৰ জংঘল হৈ গৈছে। এই লক্ষ্মী-নৰায়ণতো ফুল হয় নহয়। তেওঁলোকৰ আগত কাঁইট গৈ কয় - আপুনি সৰ্বগুণ সম্পন্ন....... মই পাপী কপট। সকলোতকৈ ডাঙৰ কাঁইট হৈছে - কাম বিকাৰৰ। পিতাই কয় - ইয়াৰ ওপৰত বিজয়ী হৈ জগতজিৎ হোৱা। মনুষ্যই কয় - ভগৱান কিবা নহয় কিবা ৰূপত আহিব, ভাগীৰথত বিৰাজমান হৈ আহিব। ভগৱান আহিবই লাগে পুৰণি সৃষ্টিক নকৈ গঢ়ি তুলিবলৈ। নতুন সৃষ্টিক সতোপ্ৰধান, পুৰণিক তমোপ্ৰধান বুলি কোৱা হয়। যিহেতু এতিয়া পুৰণি সৃষ্টি তেন্তে নিশ্চয় পিতা আহিবলগীয়াই হয়। পিতাকেই ৰচয়িতা বুলি কোৱা হয়। তোমালোক সন্তানসকলক কিমান সহজকৈ বুজায়। কিমান আনন্দিত হ'ব লাগে। বাকী কাৰোবাৰ কৰ্মভোগৰ হিচাপ-নিকাচ আছে, যিয়েই আছে, সেয়াতো ভুগিব লাগিব, এই ক্ষেত্ৰত বাবাই আশীৰ্বাদ নকৰে। মোক আহ্বানেই জনোৱা - বাবা আহি আমাক উত্তৰাধিকাৰ দিয়ক। বাবাৰ পৰা কি উত্তৰাধিকাৰ পাব বিচৰা? মুক্তি-জীৱনমুক্তিৰ। মুক্তি-জীৱনমুক্তিৰ দাতা এজনেই জ্ঞান সাগৰ পিতা সেইকাৰণে তেওঁক জ্ঞানদাতা বুলি কোৱা হয়। ভগৱানে জ্ঞান দিছিল কিন্তু কেতিয়া দিছিল, কোনে দিলে, এয়া কোনেও নাজানে। ইয়াতেই সকলো বিবুদ্ধিত পৰে। কাক জ্ঞান দিলে, এইটোও কোনেও নাজানে। এতিয়া এই ব্ৰহ্মা বহি আছে- এওঁ জানিব পাৰিছে যে ময়েই নাৰায়ণ আছিলোঁ আৰু 84 জন্ম ভোগ কৰিলোঁ। এওঁ প্ৰথম নম্বৰত আছে। বাবাই কয় মোৰতো চকুৱে মুকলি হৈ গ'ল। তোমালোকেও ক'বা আমাৰতো চকুৱে মুকলি হৈ গ'ল। তৃতীয় নেত্ৰতো মুকলি হয় নহয়। তোমালোকে ক'বা আমি পিতাৰ, সৃষ্টি চক্ৰৰ সকলো জ্ঞান পাই গলোঁ। মই যি হওঁ, যেনেকুৱা হওঁ - মোৰ চকু মুকলি হৈ গ'ল। কিমান আচৰিত। প্ৰথমে মই আত্মা আৰু মই নিজক শৰীৰ বুলি বুজি আছিলোঁ। আত্মাই কয় - মই এটা শৰীৰ এৰি অন্য এটা লওঁ। তথাপিও আমি নিজক আত্মা বুলি পাহৰি দেহ-অভিমানী হৈ যাওঁ সেইকাৰণে এতিয়া তোমালোকক পোন-প্ৰথমে এইটো বোধ দিওঁ যে নিজক আত্মা বুলি বুজি বহা। ভিতৰি এইটো মন্থন কৰা যে মই আত্মা। আত্মা বুলি নুবুজাৰ কাৰণে পিতাক পাহৰি যোৱা। অনুভৱ কৰা যথাযথ মই বাৰে বাৰে দেহ-অভিমানত আহি যাওঁ। পৰিশ্ৰম কৰিব লাগে। ইয়াত বহিলেও আত্ম-অভিমানী হৈ বহা। পিতাই কয় - মই তোমালোক সন্তানসকলক ৰাজ্য-ভাগ্য দিবলৈ আহিছোঁ। আধাকল্প তোমালোকে মোক স্মৰণ কৰিছা। কোনো কথা সন্মুখত আহিলে কোৱা হায়! ৰাম, কিন্তু ঈশ্বৰ বা ৰাম কোন, এইটো কোনেও নাজানে। তোমালোকে সিদ্ধ কৰিব লাগে- জ্ঞানৰ সাগৰ, পতিত-পাৱন, সকলোৰে সৎগতি দাতা, ত্ৰিমূৰ্তি পৰমপিতা পৰমাত্মা হৈছে শিৱ। ব্ৰহ্মা-বিষ্ণু-শংকৰ তিনিওৰে জন্ম একেলগে হৈছে। অকল শিৱজয়ন্তী নহয় কিন্তু ত্ৰিমূৰ্তি শিৱজয়ন্তী হয়। নিশ্চয় যেতিয়া শিৱৰ জয়ন্তী হ'ব তেতিয়া ব্ৰহ্মাৰো জয়ন্তী হ'ব। শিৱৰ জয়ন্তী পালন কৰে কিন্তু ব্ৰহ্মাই কি কৰিলে। লৌকিক, পাৰলৌকিক আৰু এয়া হ'ল অলৌকিক পিতা। এয়া হ'ল প্ৰজাপিতা ব্ৰহ্মা। পিতাই কয় - নতুন সৃষ্টিৰ কাৰণে এয়া নতুন জ্ঞান এতিয়া তোমালোকে পোৱা আৰু প্ৰায় লোপ হৈ যায়। যাৰ পিতা ৰচয়িতা আৰু ৰচনাৰ জ্ঞান নাই তেন্তে তেওঁ অজ্ঞানী নহ'ল জানো। অজ্ঞান নিদ্ৰাত শুই আছে। জ্ঞানেৰে দিন হয়, ভক্তিৰে ৰাতি হয়। শিৱৰাত্ৰিৰ অৰ্থও নাজানে সেয়েহে তেওঁৰ দিৱসত বন্ধৰ দিনো উঠাই দিছে।

এতিয়া তোমালোকে জানা পিতা আহেই সকলোৰে জ্যোতি জগাবলৈ। তোমালোকে এই চাকি আদি জ্বলালে তেতিয়া বুজিব এওঁলোকৰ কিবা বিশেষ দিন চাগৈ। এতিয়া তোমালোকে জ্বলোৱা অৰ্থ সহিত। তেওঁলোকে বুজিব জানো। তোমালোকৰ ভাষণৰ পৰা পূৰা বুজিব নোৱাৰে। এতিয়া গোটেই বিশ্বত ৰাৱণৰ ৰাজ্য, ইয়াততো মনুষ্য কিমান দুখী। তন্ত্ৰ-মন্ত্ৰ কৰোঁতাসকলেও বহুত অশান্ত কৰে। বাতৰিকাকততো ওলায়, এওঁৰ দেহত আসুৰিক আত্মা আছে। বহুত দুখ দিয়ে। বাবাই কয় এইবোৰ কথাৰ লগত তোমালোকৰ কোনো সম্পৰ্ক নাই। পিতাইতো চিধা কথা কয় - সন্তানসকল, তোমালোকে মোক স্মৰণ কৰা তেতিয়া তোমালোক পাৱন হৈ যাবা। তোমালোকৰ সকলো দুখ দূৰ হৈ যাব। ভাল বাৰু।

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই মিলিত হোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) যথাৰ্থ ৰীতিৰে পিতাক স্মৰণ কৰিবলৈ তথা আত্ম-অভিমানী হ'বলৈ পৰিশ্ৰম কৰিব লাগে, সততাৰে নিজৰ খতিয়ান ৰাখিব লাগে, ইয়াতেই বহুত লাভ আছে।

(2) সকলোতকৈ অধিক দুখ দিওঁতা কাঁইট হ'ল কাম বিকাৰ, ইয়াৰ ওপৰত যোগবলেৰে বিজয় প্ৰাপ্ত কৰি পতিতৰ পৰা পাৱন হ'ব লাগে। অন্য কোনো কথাৰ লগত তোমালোকৰ সম্পৰ্ক নাই।

বৰদান: বাস্তৱিক জীৱনৰ দ্বাৰা পৰমাত্ম জ্ঞানৰ প্ৰমাণ দিওঁতা ধৰ্মযুদ্ধত বিজয়ী হোৱা

এতিয়া ধৰ্ম যুদ্ধৰ মঞ্চত আহিব লাগে। সেই ধৰ্ম যুদ্ধত বিজয়ী হোৱাৰ সাধন হৈছে তোমালোকৰ বাস্তৱিক জীৱন কিয়নো পৰমাত্ম জ্ঞানৰ প্ৰমাণেই হৈছে বাস্তৱিক জীৱন। তোমালোকৰ মূৰ্তৰ (সাকাৰ ৰূপ) দ্বাৰা জ্ঞান আৰু গুণ বাস্তৱত দৃষ্টিগোচৰ হওঁক কিয়নো আজিকালি আলোচনা কৰি নিজৰ মূৰ্ত সিদ্ধ কৰিব নোৱাৰা কিন্তু নিজৰ বাস্তৱিক ধাৰণা মূৰ্তৰে এক চেকেণ্ডত যিকোনো লোককে শান্ত কৰিব পাৰা।

শ্লোগান: আত্মাক উজ্জ্বল কৰি তুলিবলৈ পৰমাত্ম স্মৃতিৰে মনৰ বিভ্ৰান্তি সমাপ্ত কৰা।

!! ওঁম্ শান্তি !!

মাতেশ্বৰী জীৰ অমূল্য মহাবাক্য

"যোগৰ দ্বাৰাই মুক্ত হোৱাৰ শক্তি পোৱা যায়"

পোন-প্ৰথমেতো নিজে এটা মুখ্য কথা খেয়ালত অৱশ্যেই ৰাখিব লাগে, যিহেতু এই মনুষ্য সৃষ্টি বৃক্ষৰ বীজ ৰূপ পৰমাত্মা সেয়েহে সেই পৰমাত্মাৰ দ্বাৰা যি জ্ঞান প্ৰাপ্ত হৈ আছে সেয়া সকলো মনুষ্যৰ কাৰণে জৰুৰী। সকলো ধৰ্মাৱলম্বীৰে এই জ্ঞান লোৱাৰ অধিকাৰ আছে। যদিওবা প্ৰত্যেক ধৰ্মৰ জ্ঞান নিজা নিজা, প্ৰত্যেকৰ নিজা নিজা শাস্ত্ৰ আছে, প্ৰত্যেকৰে মত নিজা নিজা, প্ৰত্যেকৰ সংস্কাৰ নিজা নিজা কিন্তু এই জ্ঞান সকলোৰে কাৰণে। লাগিলে তেওঁলোকে এই জ্ঞান আহৰণ কৰিব নোৱাৰিবও পাৰে, আমাৰ কুলতো নাহে কিন্তু সকলোৰে পিতা হোৱাৰ কাৰণে তেওঁৰ সৈতে যোগসূত্ৰ গঢ়িলে তথাপিও পৱিত্ৰ নিশ্চয় হ'ব। এই পৱিত্ৰতাৰ কাৰণে নিজৰেই শাখাত পদ নিশ্চয় পাব কিয়নো যোগকতো সকলো মনুষ্যই মান্যতা দিয়ে, বহুত মনুষ্যই এনেকৈ কয় যে আমাকো মুক্তি লাগে, কিন্তু শাস্তিৰ পৰা মুক্ত হোৱাৰ শক্তিও এই যোগৰ দ্বাৰাই পাব পাৰে।

"অজপাজপ অৰ্থাৎ নিৰন্তৰ ঈশ্বৰীয় স্মৃতি"

এয়া যি প্ৰবাদ আছে যে প্ৰতিটো শ্বাসত অজপাজপ জপ কৰি থাকা তাৰ যথাৰ্থ অৰ্থ কি? যেতিয়া আমি অজপাজপ বুলি কওঁ ইয়াৰ অৰ্থ হ'ল জপ নকৰাকৈ প্ৰতিটো শ্বাসত নিজৰ বুদ্ধিৰ যোগসূত্ৰ নিজৰ পৰমপিতা পৰমাত্মাৰ সৈতে নিৰন্তৰ যুক্ত কৰি ৰখা আৰু এই ঈশ্বৰীয় স্মৃতি প্ৰতিটো শ্বাসত স্থায়ী ৰূপত চলি থাকে, সেই নিৰন্তৰ ঈশ্বৰীয় স্মৃতিক অজপাজপ বুলি কয়। বাকী কোনো মুখেৰে জপ জপা অৰ্থাৎ ৰাম ৰাম বুলি কোৱা, ভিতৰি কোনো মন্ত্ৰ উচ্চাৰণ কৰা, এয়াতো নিৰন্তৰ চলিব নোৱাৰে। তেওঁলোকে ভাবে যে আমি মুখেৰে মন্ত্ৰ উচ্চাৰণ নকৰোঁ কিন্তু অন্তৰত উচ্চাৰণ কৰিব লাগে, এয়া হৈছে অজপাজপ। কিন্তু এয়াতো সহজ এক বিচাৰৰ কথা য'ত নিজৰ শব্দই অজপাজপ হয়, যাক জপ কৰাৰো প্ৰয়োজন নাই। বহি অন্তৰেৰে কোনো মূৰ্তিৰ ধ্যানো কৰিব নালাগে, একো স্মৰণ কৰিব নালাগে কিয়নো তেওঁলোকেও নিৰন্তৰ খোৱা বোৱা কৰি থাকিব নোৱাৰে কিন্তু আমি যি ঈশ্বৰীয় স্মৃতিত থাকোঁ, সেয়াই নিৰন্তৰ চলি থাকিব পাৰে কিয়নো এয়া অতি সহজ। উদাহৰণ স্বৰূপে সন্তানে নিজৰ পিতাক স্মৰণ কৰে, তেতিয়া সেই সময়ত পিতাৰ চিত্ৰ সন্মুখত আনিবলগীয়া নহয় কিন্তু মন-বাণী-কৰ্মৰে পিতাৰ গোটেই বৃত্তি, কৰ্মকাণ্ড, গুণ সহিত স্মৃতিলৈ আহে বচ্, সেয়া স্মৃতিলৈ আহিলে সন্তানৰো সেয়াই কৰ্মকাণ্ড চলে, সেইবাবে সন্তানে পিতাক প্ৰত্যক্ষ কৰাব। এনেদৰে নিজৰ আৰু আন সকলোৰে স্মৃতি অন্তৰৰ পৰা আঁতৰাই, সেই এজনেই প্ৰকৃত পাৰলৌকিক পৰমপিতা পৰমাত্মাৰ স্মৃতিত থাকিব লাগে, এই ক্ষেত্ৰত উঠোঁতে-বহোঁতে, খাওঁতে-লওঁতে নিৰন্তৰ স্মৃতিত থাকিব পাৰে। সেই স্মৃতিৰেহে কৰ্মাতীত হয়। সেয়েহে এই স্বাভাৱিক স্মৃতিকেই অজপাজপ বুলি কয়। বাৰু! ওঁম্ শান্তি।

অব্যক্ত সংকেত: নিজৰ আৰু সকলোৰে প্ৰতি মনেৰে যোগৰ শক্তি প্ৰয়োগ কৰা

অভ্যাসৰ প্ৰয়োগশালত বহি, যোগৰ প্ৰয়োগ কৰা তেতিয়া এক পিতাৰ সহায় আৰু মায়াৰ অনেক প্ৰকাৰৰ বিঘিনি কাষৰীয়া হোৱাৰ অনুভৱ কৰিবা। এতিয়া জ্ঞানৰ সাগৰ, গুণৰ সাগৰ, শক্তিৰ সাগৰত ওপৰৰ ঢৌত ঢৌ খেলি থাকা সেই কাৰণে অল্পকালৰ সজীৱতা অনুভৱ কৰা। কিন্তু এতিয়া সাগৰৰ তলিলৈ যোৱা তেতিয়া অনেক প্ৰকাৰৰ বিচিত্ৰ অনুভৱ কৰি ৰত্ন প্ৰাপ্ত কৰিব পাৰিবা।